1994
Printed at the Assam Govt. Press,
Guwahati-781021

সত্যমেৱ জয়তে

# বাজেট ভাষণ

১৯৯৪-৯৫

১৭ মাৰ্চ, ১৯৯৪

শ্ৰীজীৱ কান্ত গগৈ
বিত্তমন্ত্ৰী, অসম

READING ONLY INSIDE LIBRARY

মাননীয় অধ্যক্ষ মহোদয় ,

মই এই পবিত্ৰ সদনত ১৯৯৪-৯৫ চনৰ বাজেট প্ৰাককলন উত্থাপন কৰিবলৈ পাই বৰ সুখী হৈছো ।

২। ১৯৯১ চনৰ জুন মাহত বৰ্ত্তমান চৰকাৰখন যেতিয়া ক্ষমতালৈ আহে তেতিয়া ৰাজ্যখন বিভিন্ন ক্ষেত্ৰত, বিশেষকৈ অৰ্থনৈতিক আৰু বিত্তীয় দিশত অতি জটিল পৰিস্থিতিৰ সন্মুখীন হৈছিল । সেই সময়ছোৱাত ৰাষ্ট্ৰৰ অৰ্থনৈতিক পৰিস্থিতি অত্যন্ত জটিল আছিল । কেন্দ্ৰীয় চৰকাৰে উল্লেখযোগ্য সফলতাৰে তিনি বছৰতকৈ কম এই চমু সময়ৰ ভিতৰতে ৰাষ্ট্ৰৰ অৰ্থনীতি স্থিতাৱস্থালৈ আনে । ৰাজ্যখনতো আমি এক সংকট দূৰ কৰিবলৈ সমৰ্থ হৈছো । সুবিন্যস্ত অৰ্থনৈতিক উন্নয়ন আৰু বিত্তীয় সুস্থিৰতাৰ কাৰণে অতিকৈ গুৰুত্বপূৰ্ণ পূৰ্বচৰ্ত্ত হৈছে এক শান্তিপূৰ্ণ বাতাবৰণ । ১৯৯১ চনৰ জুন মাহত এই চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰোতে এনে এক বাতাবৰণ নাছিল । তিনিবছৰতকৈয়ো কম এই কালছোৱাৰ ভিতৰতে আমি ৰাজ্যখনলৈ শান্তি আৰু সম্প্ৰীতিৰ বাতাবৰণ ঘুৰাই আনিবলৈ সক্ষম হৈছো । আজি আমি আশা আৰু আস্থাৰে ভৱিষ্যতৰ ফালে চাব পৰা হৈছো । যোৱা কেইমাহ মানৰ ভিতৰত ৰাজ্যখনত কিছুমান ঘটনা সংঘটিত হৈছে যদিও পৰিস্থিতি ৰাজ্য চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন আৰু সকলো ধৰণৰ হিংসাত্মক কাৰ্য্যকলাপ ৰোধ কৰিবৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ । সেয়েহে উন্নয়নমূলক কাম-কাজৰ পৰিকল্পনা আৰু ৰূপায়ণ কৰি জনসাধাৰণৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নীত কৰাৰ ক্ষেত্ৰত আমাৰ স্থিতি এতিয়া যথেষ্ট উন্নত ।

৩। নানান অসুবিধা সত্ত্বেও ৰাজ্যখনৰ বিত্তীয়

পৰিস্থিতি উল্লেখনীয় ভাৱে সুস্থিৰ কৰা হৈছে । গাথনিগত সংশোধন আৰু বিত্তীয় তথা অৰ্থনৈতিক সংস্কাৰ সাধনৰ পৰিপ্ৰেক্ষিতত প্ৰায় সকলোবোৰ ৰাজ্যই কঠিন বিত্তীয় অৱস্থাৰ সন্মুখীন হোৱাটো সৰ্ব্বজনবিদিত । অন্যান্য কেতবোৰ ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ অৱস্থা সন্তোষজনক বুলি কব পাৰি । ১৯৯৪-৯৫ বছৰটোৰ বাজেট প্ৰস্তুত কৰোঁতে ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে । কৃষি আৰু উদ্যোগৰ উন্নয়ন, বিশেষকৈ গ্ৰামাঞ্চলত নিয়োগ সুবিধা, বিদ্যুত অৱস্থাৰ উন্নতি সাধন, গ্ৰাম্য উন্নয়ন আৰু যুৱক যুৱতী আৰু ছাত্ৰসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়ন সাধনৰ ওপৰত বিশেষ মনোযোগ দিয়া হৈছে ।

**ৰাজ্যিক আয়**

৪। দ্ৰুত হিচাপ অনুযায়ী প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন (NSDP) চলিত মূল্যত ১৯৯২-৯৩ ত ১১,৭৩৬ কোটি টকা আৰু স্থিৰ (১৯৮০-৮১) মূল্যত ৪,৫১৬ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে । ইয়াৰ আগৰ বছৰৰ অনুৰূপ হিচাপসমূহ এতিয়া সাময়িকভাৱে যথাক্ৰমে ১০, ৪৩০ কোটি আৰু ৪,২৮৫ কোটি টকা বুলি অনুমান কৰা হৈছে । ১৯৯২–৯৩ চনৰ এই বৃদ্ধি পূৰ্বৰ বছৰতকৈ চলিত মূল্যত ১২. ৫ শতাংশ আৰু স্থিৰ মূল্যত ৫.৪ শতাংশ বেছি । ১৯৯২-৯৩ বছৰটোত জনমুৰি আয় চলিত মূল্যত ৫০৫৬ টকা আৰু স্থিৰ মূল্যত (১৯৮০-৮১) ১,৯৪৫ টকা বুলি হিচাপ কৰা হৈছে । ই আগৰ বছৰতকৈ চলিত মূল্যত ১০.১% আৰু স্থিৰ মূল্যত ৩.১% ৰ বৃদ্ধি সূচায় ।

**মূল্য**

৫। পাইকাৰী আৰু গ্ৰাহক দুয়োবিধ মূল্যসূচীয়েই ১৯৯৩ চনত কিছুপৰিমাণে বৃদ্ধি পায় । ১৯৯৩ চনৰ জানুৱাৰীৰ পৰা অক্টোবৰলৈকে গড় হিচাপে পাইকাৰী

মূল্যসূচী আগৰ বছৰৰ অনুৰূপ সময় ছোৱাৰ তুলনাত ২.৭% বৃদ্ধি পায়। একেদৰে শ্ৰমিক শ্ৰেণীৰ গ্ৰাহক মূল্য সূচী (ভিত্তি বছৰ ১৯৪৯) ১৯৯৩ চনৰ প্ৰথম এঘাৰ মাহত ১৯৯২ চনৰ অনুৰূপ সময়ছোৱাৰ তুলনাত ৭.৪ % বৃদ্ধি পায়। কেন্দ্ৰীয় চৰকাৰে অলপতে প্ৰায়োগিক মূল্য (administered price) তথা ৰেলত মাল বস্তুৰ ভাড়া বৃদ্ধি কৰাৰ হেতুকে বছৰটোৰ শেহলৈ মূল্যৰ ঊৰ্দ্ধগামী গতি আৰু বেছি হোৱাৰ সম্ভাৱনা আছে। যি কি নহওক, গ্ৰাহকসকলক সকাহ দিয়াৰ উদ্দেশ্যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী সমূহ যোগান ধৰিবৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰচেষ্টা অব্যাহত ৰব। দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকললৈ অধিক ৰেহাই মূল্যত চাউল যোগান ধৰাৰ ব্যৱস্থাও অব্যাহত থাকিব।

নিয়োগ

৬.১। নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ চলন্ত পঞ্জী অনুসৰি ৰাজ্যখনত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১৯৯২ চনৰ চেপ্তেম্বৰ মাহৰ শেষত ১৩.৮১ লাখৰ পৰা ১৯৯৩ চনৰ চেপ্তেম্বৰ মাহৰ শেষত ১৩.৮৪ লাখলৈ অৰ্থাৎ ০.২ শতাংশ বৃদ্ধি পায়। ১৯৯৩ চনৰ চেপ্তেম্বৰ মাহৰ শেষত শিক্ষিত চাকৰি প্ৰাৰ্থীৰ সংখ্যা হ'ল ৮.৭ লাখ অৰ্থাৎ মুঠ চাকৰি প্ৰাৰ্থীৰ ৬২.৮%। সেই তাৰিখত মহিলা চাকৰি প্ৰাৰ্থীৰ সংখ্যা আছিল ২.৮৮ লাখ আৰু অনুসূঁচীত জাতি আৰু অনুসূঁচীত জনজাতীয় চাকৰি প্ৰাৰ্থীৰ সংখ্যা হ'ল যথাক্ৰমে ০.৮৮ লাখ আৰু ১.৫৭ লাখ।

৬.২। ৰাজ্যখনত এতিয়ালৈকে ৰাজ্য চৰকাৰেই হ'ল একক সৰ্ববৃহৎ নিয়োগকৰ্ত্তা। নিবনুৱা সমস্যাৰ ব্যাপকতালৈ চাই চৰকাৰী কাৰ্য্যালয় কিম্বা ৰাজহুৱা খণ্ডত

চাকৰি সৃষ্টি কৰি এই সমস্যা সমাধান কৰাটো সম্ভৱ নহয় । সেয়েহে আমি ৰাজ্যখনত ব্যক্তিগত খণ্ডৰ বিকাশৰ সুবিধাৰ্থে আমাৰ নীতিসমূহৰ কিছু দিশ পৰিবৰ্ত্তন কৰিছো যাতে ইয়াৰ দ্বাৰাই নিয়োগ সুবিধাৰ সৃষ্টি কৰিব পৰা যায় । উঠি অহা যুৱক-যুৱতীৰ মাজত কৰ্মস্পৃহা জগাই তোলাৰ অৰ্থে আমি ব্যৱস্থা লৈছো যাতে তেওঁলোকে লাভজনক স্বনিয়োজনৰ বাবে অৰ্থনৈতিক কাম-কাজ হাতত লব পাৰে । এই উদ্দেশ্য আগত ৰাখিয়েই ১৯৯৪-৯৫ বছৰটোত আমি ৰাজ্যৰ বাহিৰত ব্যৱসায়/উদ্যোগিক বিষয়ৰ শিক্ষামূলক ভ্ৰমণৰ বাবে অন্ততঃ পাঁচ হাজাৰ যুৱক-যুৱতীক পঠিওৱাৰ প্ৰস্তাৱ কৰিছো যাতে তেঁওলোকে দ্ৰুতগতিৰে উন্নতিশীল ৰাজ্যসমূহে কি দৰে আগভাগ লৈ বিভিন্ন ধৰণৰ উদ্যোগ স্থাপন কৰিছে তাৰ বুজ লব পাৰে । আমি আশা কৰো এই ব্যৱস্থাই আমাৰ উঠি অহা চামক প্ৰয়োজনীয় উদগনি আৰু অনুপ্ৰেৰণা যোগাৰ লগতে তেঁওলোকৰ অন্তৰ্নিহিত সামৰ্থ্যৰে উদ্যোগ আৰম্ভ কৰাত সহায় কৰিব ।

৬ .৩। ইয়াৰ বাহিৰেও, আমি অসম নিবনুৱা সাহায্য আঁচনিৰ অধীনত নিয়োগ বিনিময় কেন্দ্ৰসমূহত পঞ্জীভূক্ত নিবনুৱা স্নাতক সকলক সকাহ দিয়াৰ ব্যৱস্থা অব্যাহত ৰাখিম । আঁচনিখনৰ পৰিধি সম্প্ৰসাৰিত কৰাৰ লগতে বৰ্ত্তমানৰ সাহায্যৰ হাৰ বৃদ্ধি কৰাৰ বাবে দশম বিত্ত আয়োগৰ পৰা আমি বিত্তীয় সহায় বিচাৰিছো ।

৬ .৪। ৰাজ্যৰ যুৱক-যুৱতী আৰু ছাত্ৰ সম্প্ৰদায়ৰ সৰ্বাঙ্গীন কল্যাণৰ বাবে মাননীয় মুখ্যমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ অলপতে এখন উপদেষ্টা সমিতি ৰাজ্যচৰকাৰে গঠন কৰিছে । ক্ৰীড়া আৰু যুৱ কল্যাণৰ বাবে পৰিকল্পনা শিতানত ১৯৯৩-৯৪ চনৰ ২.০০ কোটি টকাৰ বিপৰীতে ১৯৯৪-৯৫ চনৰ বাজেটত ৪ .৯২ কোটি

টকাৰ প্ৰস্তাৱ কৰা হৈছে।

আনুষ্ঠানিক বিত্ত

৭.১। যোৱা কেইবছৰত ৰাজ্যখনত বেংকসমূহৰ শাখা সম্প্ৰসাৰণ হৈছে যদিও দেশৰ অন্যান্য অংশৰ তুলনাত বেংক সেৱাৰ ক্ষেত্ৰত অসম এতিয়াও তুলনামূলক ভাবে পিছপৰা। ১৯৯৩ চনৰ ছেপ্তেম্বৰ মাহৰ শেষলৈকে অসমত অনুসূচীত বানিজ্যিক বেংক সমূহৰ সৰ্বমুঠ শাখাৰ সংখ্যা আছিল ১২২৫। ৰাষ্ট্ৰীয় পৰিসংখ্যা অনুসৰি প্ৰতি ১৪০০০ জনসংখ্যাৰ বাবে গড়ে একোটাকৈ বেংকৰ শাখা আছে। ইয়াৰ তুলনাত অসমত এই পৰিসংখ্যা হ'ল গড়ে প্ৰতি ১৮০০০ জনসংখ্যাৰ বাবে এটি বেংকৰ শাখা। অসমত বেংকসমূহৰ মুঠ জমাৰ পৰিমাণ চেপ্তেম্বৰ '৯২ ৰ ২৫২২ কোটি টকাৰ বিপৰীতে '৯৩ চনৰ চেপ্তেম্বৰ মাহত ই ১৫.৫ শতাংশ বৃদ্ধি পাই ২৯১৪ কোটি টকা হয়গৈ। সেই একে সময় ছোৱাত ঋণ দানৰ পৰিমাণ ৩.৭ শতাংশ বৃদ্ধিৰে ১২৪০ কোটি টকাৰ পৰা ১২৮৬ কোটি টকা হয়গৈ। এই পৰিসংখ্যাৰ ভিত্তিত দেখা যায় যে ১৯৯৩ চনৰ চেপ্তেম্বৰ মাহত অসমত ঋণ দান আৰু জমাৰ অনুপাত হ'ল ৪৪.১ শতাংশ। সেই একে সময় ছোৱাত সমগ্ৰ দেশৰ ঋণ দান আৰু জমাৰ এই অনুপাত হ'ল ৫৮.৫ শতাংশ।

৭.২। বেংকৰ সা-সুবিধা আধিক উন্নত কৰাৰ আৰু ঋণদান আৰু জমাৰ অনুপাত বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে চৰকাৰ সম্পূৰ্ন সজাগ। এই উদ্দেশ্যত উপনীত হবলৈ চৰকাৰৰ পূৰ্ণ প্ৰচেষ্টা অব্যাহত থাকিব।

ক্ষুদ্ৰ সঞ্চয়

৮। আমাৰ ৰাজ্যখনত ক্ষুদ্ৰ সঞ্চয় অভিযানে বিশেষ সাফল্য লাভ কৰিছে। জনসাধাৰণক ক্ষুদ্ৰ সঞ্চয়ৰ প্ৰতি আকৰ্ষিত কৰিবলৈ বিশেষ অভিযানৰো ব্যৱস্থা লোৱা

হৈছে । ৰাজ্যখনত সংগ্ৰহ হোৱা শুদ্ধ ক্ষুদ্ৰ সঞ্চয়ৰ ৭৫ শতাংশ ঋণ সাহায্য হিচাপে ৰাজ্য চৰকাৰে লাভ করে । ইয়াৰ ফলত যোৱা বিত্তীয় বছৰটোত ৰাজ্য চৰকাৰে ৯৪. ৮৯ কোটি টকা লাভ কৰে । চলিত বিত্তীয় বছৰৰ জানুৱাৰী মাহলৈকে লাভ কৰা এই ধনৰ পৰিমাণ হ'ল ৯০ কোটি টকা । ক্ষুদ্ৰ সঞ্চয়ৰ পৰা ৰাজ্য চৰকাৰে লাভ কৰা ধনৰ পৰিমাণ চলিত বিত্তীয় বছৰত যোৱা বছৰতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে । বানিজ্যিক বেংক বোৰে প্ৰৱৰ্ত্তন কৰা অধিক আকৰ্ষণীয় বিনিয়োগ আঁচনি আৰু ষ্টক বজাৰৰ শ্বেয়াৰ মূল্যৰ উৰ্দ্ধগামী গতিৰ বাবে ক্ষুদ্ৰ সঞ্চয়ৰ আঁচনি বোৰৰ প্ৰতি থকা আকৰ্ষণত বিৰূপ প্ৰভাৱ পৰা সময়তো এনে সাফল্য লাভ কৰিব পৰাটো লক্ষ্যনীয় কথা ।

**বাৰ্ষিক পৰিকল্পনা আবন্টন**

৯.১ । ১৯৯৪–৯৫ বছৰটোৰ বাবে পৰিকল্পনা আয়োগৰ দ্বাৰা অনুমোদন কৰা বাৰ্ষিক পৰিকল্পণাৰ আবন্টন হ'ল ১০৫১ কোটি টকা । ইয়াৰে ৯৭৮. ৮৩ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে আৰু ৭২ .১৭ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে । সাধাৰণ অঞ্চলৰ পৰিকল্পনা আৱন্টনত জনজাতি উপ-পৰিকল্পনাৰ কাৰণে আছে ১০৯ .৭৫ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা হৈছে ৭৩.৩৩ কোটি টকা । তদুপৰি পাৰ্বত্য পৰিকল্পনা, জনজাতি উপ-পৰিকল্পনা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাক বিশেষ সংযোগী কেন্দ্ৰীয় সাহায্যৰে আৰু অধিক বৃদ্ধি কৰা হব । চূড়ান্ত নিৰ্ণয় নোহোৱা প্ৰৰ্য্যন্ত এই বিশেষ কেন্দ্ৰীয় সাহাৰ্যৰ পৰিমাণ যথাক্ৰমে ৪২ .০৫ কোটি টকা, ১২ .৪০ কোটি টকা আৰু ৩.০৪ কোটি টকা বুলি সম্প্ৰতি ধৰি লোৱা হৈছে । অহা বছৰৰ পৰিকল্পনা আবন্টনৰ আন এটি

লক্ষণীয় দিশ হ'ল বড়োলেও স্বায়ত্ত শাসিত অঞ্চলৰ বাবে ধাৰ্য্য কৰা ৪১.৩১ কোটি টকা ।

৯. ২ । ৰাজ্যিক পৰিকল্পনাত মুঠ আবন্টনৰ ৩৬ শতাংশ অৰ্থাৎ ৩৮৩.১০ কোটি টকাৰে সামাজিক সেৱা খণ্ডই প্ৰথম অগ্ৰাধিকাৰ লাভ কৰিছে । মুঠ আবন্টনৰ ১৮ শতাংশ অৰ্থাৎ ১৯২.১৯ কোটি টকাৰে শক্তি খণ্ডক দ্বিতীয় স্থান দিয়া হৈছে । ইয়াৰ পিছতে আহিছে ১৩৯ .৩৩ কোটি টকাৰে কৃষি আৰু আনুসংগিক সেৱা সমূহ । ই মুঠ আবন্টনৰ ১৩ শতাংশ ।

কৃষি

১০ .১। কৃষি খণ্ডৰ উন্নয়নৰ কাম কাজ সামগ্ৰিক ভাবে সন্তোষজনক । এই ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন আঁচনি আৰু নীতিৰ প্ৰতি কৃষক সকলে দেখুওৱা সঁহাৰিয়েই এই সাফল্যৰ মূল কাৰণ । আশা কৰা হৈছে যে ১৯৯৩–৯৪ বছৰটোত খাদ্য শস্যৰ উৎপাদন ৩৮.৭৮ লাখ টন হবগৈ । অহা বছৰৰ বাবে আমাৰ লক্ষ্য হ'ল ৩৯ .৭১ লাখ টন । অহা বছৰটোত মাহ জাতীয় শস্য, ফলমূল, মচলা আৰু অন্যান্য মূলধনী শস্য উৎপাদনৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। উদ্যান শস্যৰ প্ৰচুৰ সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখি ১৯৯৪–৯৫ চনত এটি উদ্যান সঞ্চালকালয় খোলাৰ কথা চৰকাৰে বিবেচনা কৰিছে । চলিত বছৰৰ ৬৯ .৪০ কোটি টকাৰ ঠাইত ১৯৯৪–৯৫ৰ বাৰ্ষিক পৰিকল্পনাত ৭১.৯২ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

১০ .২ । কৃষি উন্নয়নৰ ক্ষেত্ৰত এটি বিশেষ অন্তৰায় হ'ল অকুলন প্ৰতিষ্ঠানিক ঋণ । কেৱল অসমতে নহয়, সমগ্ৰ দেশতে আজি কিছুদিনৰ পৰা দেখা গৈছে যে মুঠ প্ৰতিষ্ঠানিক ঋণৰ শতাংশ হিচাপে কৃষি ঋণৰ পৰিমাণ নিম্নগামী হৈছে । আঞ্চলিক গাঁৱলীয়া বেংকৰ মূলধনী গাথনিটোক টনকিয়াল কৰাকে ধৰি আৰু কেতবোৰ ব্যৱস্থা

কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে ঘোষণা কৰিছে। আঞ্চলিক গাঁৱলীয়া বেংক বোৰৰ মূলধনী গাথনিলৈ অসম চৰকাৰৰ অংশ হিচাপে আগবঢ়াবলৈ ১৯৯৪–৯৫ ৰ বাজেটত ১৫ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে। অসমৰ কৃষি খণ্ডলৈ যাতে অধিকতৰ ঋণ আগবঢ়োৱা হয় তাৰ বাবে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (NABARD) আৰু বিভিন্ন বানিজ্যিক বেংকৰ লগত সঘনে যোগাযোগ কৰি আছে।

**শক্তি**

১১.১ জনসাধাৰণৰ অত্যাৱশ্যকীয় দৈনন্দিন প্ৰয়োজনৰ উপৰিও ঔদ্যোগিক বিকাশৰ বাবে শক্তি এক অপৰিহাৰ্য্য উপাদান। সেয়েহে ৰাজ্য খনৰ ঔদ্যোগিক বিকাশৰ বাবে শক্তিৰ সুদক্ষ উৎপাদন, সৰবৰাহ আৰু বিতৰণ এক প্ৰয়োজনীয় পূৰ্বচৰ্ত্ত।

১১.২। বিদ্যুৎ খণ্ডৰ সামগ্ৰিক পৰিস্থিতি এক উদ্বেগৰ বিষয় হৈ আহিছে। ৰাজ্যখনত বিদ্যুৎ উৎপাদনৰ প্ৰতিষ্ঠিত সামৰ্থ্য ৫১৪ মেগাৱত হোৱা সত্বেও প্ৰকৃত উৎপাদন ইয়াতকৈ বহুত কম। ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিত্তীয় অৱস্থাৰ বাবে চলি থকা প্ৰকল্প কেইটাও পৰিচালনা কৰাত দেখা দিয়া অসুবিধাই ইয়াৰ মূল কাৰণ। প্ৰতি ইউনিট বিদ্যুৎ উৎপাদনৰ বাবে হোৱা খৰচ আৰু প্ৰতি ইউনিট বিদ্যুৎতৰ পৰা পোৱা ৰাজহৰ মাজত যথেষ্ট তাৰতম্য দেখা গৈছে। ৰাজ্যিক বিদ্যুৎ পৰিষদক বানিজ্যিক ভাবে সুচল কৰি তোলাৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত বিদ্যুতৰ শুল্কৰ নিৰিখ (tarriff rate) সংশোধন কৰাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। সেয়েহে এনে সংশোধনৰ বিষয়টো বৰ্ত্তমানে বিবেচনা কৰি থকা হৈছে। লগে লগে দেশৰ বাহিৰৰ তথা ভিতৰৰ বিনিয়োগ-কাৰীক জড়িত কৰি ৰাজ্য খনৰ সামগ্ৰিক বিদ্যুৎ পৰিস্থিতি উন্নত কৰাতো চৰকাৰে অগ্ৰাধিকাৰ দিছে। এই উদ্দেশ্যে ইতিমধ্যে চিনাক্ত কৰা

প্ৰকল্প সমূহ হ'ল কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্প, নামৰূপ তাপবিদ্যুৎ সম্প্ৰসাৰণ প্ৰকল্প আৰু আমগুৰি, আদামটিলা আৰু বাচকান্দিৰ গেচ ভিত্তিক বিদ্যুৎ প্ৰকল্প কেইটা । ইতিমধ্যে বঙাইগাঁও তাপবিদ্যুৎ প্ৰকল্প পুনৰ আৰম্ভ কৰাৰ পিছত নামনি অসমৰ জিলাকেইখনত বিদ্যুৎ পৰিস্থিতি যথেষ্ট উন্নত হৈছে । ১৯৯৪–৯৫ বছৰটোৰ বাৰ্ষিক পৰিকল্পনাত শক্তি খণ্ডৰ বাবে ১৯১.৬৯ কোটি টকা ধাৰ্য্য কৰা হৈছে ।

## উদ্যোগ

১২ .১। ১৯৯১ চনত ভাৰত চৰকাৰে নতুন ঔদ্যোগিক নীতি প্ৰবৰ্ত্তন কৰাৰ পিছত দেশখনত ঔদ্যোগিক বিকাশ আৰু বাতাবৰণৰ দিশত এক গুনগত পৰিবৰ্ত্তন পৰিলক্ষিত হৈছে । চৰকাৰী নিয়ন্ত্ৰন আৰু নীতি নিয়মৰ বান্ধোন শিথিল কৰি দক্ষতা আৰু প্ৰতিযোগিতা বৃদ্ধি কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে । পিছে এই ব্যৱস্থাৱলীৰ ফলত দেশৰ বিভিন্ন অংশত বিভিন্ন ধৰণৰ প্ৰভাৱ পৰা দেখা গৈছে । অসমত চৰকাৰে উদ্যোক্তা আৰু সংযোজক হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা অব্যাহত ৰাখিব লাগিব । ৰুগ্ন ৰাজ্যিক পৰ্য্যয়ৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰক ব্যক্তিগত খণ্ডলৈ নিবৰ কাৰণে চৰকাৰে ভালেমান ব্যৱস্থা হাতত লৈছে আৰু ব্যক্তিগত ঔদ্যোগিক প্ৰতিষ্ঠান বোৰক আমাৰ ৰাজ্যত ধন বিনিয়োগ কৰিবলৈ উদগনি যোগাইছে । প্ৰয়োজন সাপেক্ষে ইকুইটি মূলধনৰ একাংশ আৰু অন্যান্য উদগনিমূলক অৰিহণা যোগাই গুৰুত্বপূৰ্ণ ঔদ্যোগিক প্ৰকল্পসমূহত অংশ গ্ৰহণ কৰিবৰ বাবেও চৰকাৰে চেষ্টা চলাই আছে । উদাহৰণস্বৰূপে নুমলিগড় শোধানাগাৰ প্ৰকল্পৰ কথা উল্লেখ কৰিব পাৰি । ১৯৯৪-৯৫ বছৰটোৰ বাবে নুমলিগড় শোধনাগাৰ প্ৰকল্প, অসম গেছ ক্ৰেকাৰ প্ৰকল্প আৰু সহযোগী খণ্ডত ভালেমান প্ৰকল্পত ৰাজ্য চৰকাৰৰ অংশগ্ৰহণৰ বাবে আমি প্ৰয়োজনীয়

পুঁজি যোগাণৰ ব্যৱস্থা কৰিছো । নুমলি গড় শোধনাগাৰ থলীত ইতিমধ্যে কাম আৰম্ভ হৈছে । অসম গেছ ক্রেকাৰ প্রকল্পৰ কাৰণেও উপযুক্ত সহযোগী উদ্যোক্তা নির্বাচনৰ ওপৰত সবল চেষ্টা চলাই থকা হৈছে । সহযোগী খণ্ডত ৭৫ কোটি টকাৰ ব্যয়ত ১০৮ মেট্রিক টন সামর্থ্যৰ মেথানল প্রকল্প স্থাপনৰ বাবে অসম উদ্যোগিক উন্নয়ন নিগম লিমিটেড আৰু এলাইড ৰেইজিনচ এণ্ড কেমিকেলচ লিমিটেডৰ মাজত বুজাপৰা চুক্তি এখন স্বাক্ষৰিত হৈছে । গোৱালপাৰা জিলাৰ বালিজানা আৰু শোণিতপুৰ জিলাৰ বালিপাৰাত একোটিকৈ বিকাশ কেন্দ্র পাতিবৰ বাবে কেন্দ্রীয় চৰকাৰে অনুমোদন জনাইছে । কামৰূপ জিলাত আন এটা বিকাশ কেন্দ্র স্থাপনৰ প্রস্তাৱ কৰা হৈছে । প্রতিটো বিকাশ কেন্দ্ৰকেই একোটি স্বয়ংপূর্ণ উদ্যোগিক উদ্যান হিচাপে গঢ় দিয়াৰ আঁচনি কৰা হৈছে ।

**শিক্ষা**

১২.২ । অসমত ক্ষুদ্র উদ্যোগ আৰু কুটীৰ শিল্প খণ্ডৰ বাবে যথেষ্ট সম্ভাৱনীয়তা আছে । নকলেও হয় যে বৃহৎ আৰু মজলীয়া খণ্ডতকৈ ক্ষুদ্র উদ্যোগ খণ্ডত নিয়োগ-মূলধনৰ অনুপাত বহু বেছি । সেয়েহে আমাৰ লক্ষ্য হ'ল ৰাজ্যখনত ক্ষুদ্র উদ্যোগৰ বিকাশ ব্যাপক কৰি তোলাৰ সুস্থ পৰিবেশ সৃষ্টি কৰা । এনে ব্যৱস্থাই ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধি কৰাৰ উপৰিও বহু পৰিমাণে নিবনুৱা সমস্যাৰ সমাধান কৰিব পাৰিব বুলিও আশা কৰা হৈছে । ক্ষুদ্র উদ্যোগ আৰু কুটীৰ শিল্প খণ্ডত দিয়া গুৰুত্বৰ বিষয়ে মই কব খুজো যে এই খণ্ডত ১৯৯১-৯২ বছৰটোত নিৰ্দ্ধাৰণ কৰা ২০.৪০ কোটি টকাৰ তুলনাত ১৯৯৪-৯৫ বছৰটোত মই ২৯.০০ কোটি টকাৰ প্রস্তাৱ কাৰিছো ।

১৩.১ । সকলোৰে বাবে শিক্ষা আঁচনিখন ৰূপায়ণ কৰাত আমি প্রতিশ্রুতিবদ্ধ আৰু আশা কৰিছো এই

শতিকাৰ শেহলৈ আমি আমাৰ লক্ষ্যত উপনিত হ'ব পাৰিম । সেই অনুযায়ী আমি প্ৰাথমিক আৰু প্ৰাপ্ত-বয়স্ক শিক্ষাৰ সম্প্ৰসাৰণৰ কাম হাতত লৈছো । পূৰ্ণ সাক্ষৰতা আঁচনিৰ অধীনত আমি ১৪ ৰ পৰা ৩৫ বছৰ বয়সৰ প্ৰত্যেককে সাক্ষৰ কৰি তুলিবলৈ প্ৰস্তাৱ লৈছো । ১৯৯৪-৯৫ বছৰৰ ভিতৰত পূৰ্ণ সাক্ষৰতা আঁচনিৰ জৰিয়তে ১২ খন জিলাক সামৰিবলৈ বিচৰা হৈছে । সাক্ষৰতাৰ দিশত বেছি পিছপৰি থকা বুলি ভবা ধুবুৰী, দৰং, মৰিগাওঁ আৰু কাৰ্বি আংলং জিলা কেইখনক "জিলা প্ৰাথমিক শিক্ষা প্ৰকল্প" ৰ অধীনত লোৱা হৈছে । ই হ'ল বিশ্ব বেংকে বিত্ত যোগান ধৰা এখন আঁচনি । এই আঁচনিখনে অকল প্ৰাথমিক শিক্ষাৰ বুনিয়াদী আন্তৰ্গাথনিকে যে সবল কৰি তুলিব এনে নহয় অভাৱগ্ৰস্ত সকলক পৰিপুষ্টিৰ দিশতো সহায় কৰিব । এই আঁচনিৰ কাৰ্য্যকাল ৫ বছৰীয়া হ'ব আৰু ইয়াত মুঠ ১৬০ কোটি টকা ব্যয় হ'ব ।

১৩.২ । মাধ্যমিক শিক্ষাৰ দিশত আমি ১৯৯৪-৯৫ চনৰ শেহলৈকে ৰাজ্যখনত ৯ খন নৱোদয় বিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছো ।

১৩.৩ । উচ্চ শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য দিশসমূহ হ'ল - শিলচৰ আৰু তেজপুৰত পতা দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু গুৱাহাটীত পতা আই, আই, টি । দুয়োখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে ১৯৯৪ চনৰ ১৫ জানুৱাৰীৰ পৰা কাম আৰম্ভ কৰিছে আৰু উপাচাৰ্য্য আৰু পঞ্জীয়ক সকলে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে ।

১৩.৪ । গুৱাহাটীত আই, আই, টি ৰ বাবে এজন পূৰ্ণ পৰ্য্যায়ৰ প্ৰকল্প সঞ্চালকে ইতিমধ্যে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে । এই প্ৰকল্পটোৰ কাৰণে ১৯৯৪-৯৫ চনৰ

বাজেটত ভাৰত চৰকাৰে ইতিমধ্যে প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰিছে।

১৩.৫। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মুখীন হোৱা বিত্তীয় জটিলটাৰ বিষয়ে চৰকাৰ অৱগত। অৱশ্যে এনে ধৰণৰ বিত্তীয় জটিলতা কেৱল গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতে হোৱা নাই। দেশৰ প্ৰায় সকলো বিশ্ববিদ্যালয়তে একেধৰণৰ বিত্তীয় পৰিস্থিতিৰ উদ্ভৱ হৈছে। অৱশ্যে, বিত্তীয় জটিলতাৰ বাবে যাতে এই দুখন বিশ্ববিদ্যালয়ৰ শৈক্ষিক উৎকৰ্ষতা হ্ৰাস নাপায় তাৰ বাবে আমি যাৱতীয় ব্যৱস্থা লম। ৰাজ্যৰ এই দুখন বিশ্ববিদ্যালয়ে শিক্ষাৰ উৎকৰ্ষতাৰ নতুন শিখৰত আৰোহন কৰাটোৱেই চৰকাৰে কামনা কৰে। সেয়ে ১৯৯৪-৯৫ চনৰ বাজেটত পৰিকল্পনা বহিৰ্ভূত শিতানৰ অনুদান বুজন পৰিমাণে বঢ়াবলৈ আমি প্ৰস্তাৱ আগবঢ়াইছো। অসম কৃষি বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো এনেধৰণৰ অনুদান বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে।

**স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা**

১৪.১। স্বাস্থ্য সেৱা ক্ষেত্ৰত ২০০০ চনত "সকলোৰে বাবে স্বাস্থ্য" ই হৈছে আমাৰ লক্ষ্য। হোমিঅপেথি, আয়ুৰ্বেদিক আৰু অন্যান্য দেশীয় চিকিৎসা পদ্ধতিৰ বিকাশ আৰু সম্প্ৰসাৰনৰ উপৰতো যথোপযুক্ত গুৰুত্ব দিয়া হৈছে। পৰিয়াল কল্যাণ আঁচনিখন শতকৰা ১০০ ভাগ কেন্দ্ৰীয় সাহায্য পুষ্ট এখনি কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি। এই আঁচনিৰ জৰিয়তে জনসংখ্যা বৃদ্ধিৰ হাৰ কমাবলৈ আৰু তাক স্থিৰ কৰিবলৈ আমি চেষ্টা কৰি আহিছো।

১৪.২। পৰিয়াল কল্যাণ তথা মাতৃ আৰু শিশু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত উল্লেখনীয় প্ৰগতি লাভ কৰাৰ

উদ্দেশ্যে ৰাজ্য চাৰকাৰে বিশ্ব বেংকৰ ওচৰত এখন আঁচনি দাখিল কৰিছে। ১০১ কোটি টকীয়া এই এই আঁচনিখন বিশ্ব বেংকে ইতিমধ্যে মূল্যায়ন কৰি ইয়াক গ্ৰহণ কৰিছে আৰু ১৯৯৪-৯৫ বিত্তিয় বৰ্ষৰ পৰা এই আঁচনিৰ বাবে যাৱতীয় পুঁজি মোকোলাই দিৱলৈয়ো প্ৰস্তুত হৈছে। ১৯৯৪-৯৫ চনত এই আঁচনিৰ অধিনত প্ৰয় ১৬ কোটি টকা ব্যয় হব বুলি অনুমান কৰা হৈছে। এই আঁচনিৰ ফলত ঔষধ পণ্যাগাৰ আৰু পৰিবহনকে ধৰি স্বাাস্থ্য আৰু পৰিয়াল কল্যাণৰ বাবে প্ৰয়োজনীয় গাঁথনিগত ভেটি আৰু সাংগঠনিক সা-সুবিধা অধিক উন্নত হব। ইয়াৰ দ্বাৰা স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় তথ্য, শিক্ষা আৰু যোগাযোগ আৰু প্ৰশিক্ষণ কাৰ্য্যসূচীৰ গুণগত মান বাঢ়িব। আমি ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় কেইখনত সা-সুবিধা উন্নত কৰাৰ বাবেও অধিক পুঁজি যোগান ধৰাৰ প্ৰস্তাৱ কৰিছো।

**গ্ৰাম্য উন্নয়ন**

১৫। আমাৰ ৰাজ্যৰ প্ৰায় ৮৯ শতাংশ লোক গাঁও অঞ্চলত বাস কৰে। সেই বাবে গাঁও অঞ্চলত গাথনিগত সা-সুবিধাৰ বৃদ্ধি কৰি জনসাধাৰণৰ জীৱন ধাৰণৰ মানদন্ডৰ গুণগত উন্নতি কৰাটোৱেই চৰকাৰৰ উন্নয়ন মূলক কাম কাজ বোৰৰ ভিতৰত অগ্ৰাধিকাৰ পাইছে। যোৱা দুবছৰত এই ক্ষেত্ৰত লক্ষণীয় প্ৰগতি হৈছে। বৰ্ত্তমানে ৰূপায়িত কৰি থকা আঁচনিসমূহৰ ভিতৰত ঘাই আঁচনি সমূহ হল সংহত গ্ৰাম্যোন্নয়ন আঁচনি, জৱাহৰ ৰোজগাৰ যোজনা, সংহত গ্ৰাম্য শক্তি আঁচনি (আই, আৰ, ই পি) আৰু নিয়োগ নিশ্চিতকৰণ আঁচনি। আজি কিছুদিনৰ পৰা আনকি চিগা মথাউৰি মেৰামতিৰ কামো বহুত ঠাইত ডি, আৰ, ডি এৰ যোগেদি কৰা হৈছে। গ্ৰাম্য উন্নয়ন কামৰ বাবে যোৱা তিনিটা মাহত প্ৰায় ৯০ কোটি টকা মোকোলাই দিয়া

হৈছে । গ্ৰাম্য উন্নয়নৰ বাবে ১৯৯৩-৯৪ চনৰ ৩০ কোটি টকাৰ বিপৰীতে ১৯৯৪-৯৫ চনৰ বাজেটত ৩৭.৫৫ কোটি টকা প্ৰস্তাৱ কৰা হৈছে । ৰাজ্যিক বাজেটত প্ৰস্তাৱ কৰা এই বৃদ্ধিৰ ফলত গ্ৰাম্য উন্ময়নৰ বাবে অহা কেন্দ্ৰীয় সাহায্য সমানুপাতে বৃদ্ধি পাব ।কেৱল জৱাহৰ ৰোজগাৰ যোজনা আৰু নিয়োগ নিশ্চিতকৰন আঁচনিৰ বাবে ১৯৯৪-৯৫ চনত কেন্দ্ৰীয় আবু ৰাজ্য চৰকাৰৰ দুয়ো অংশ মিলাই ১০৮ কোটি টকা যোগান ধৰা হব । ইয়াৰ ফলত যে গ্ৰম্যাঞ্চলৰ সৰ্বঙ্গীন বিকাশত এক ইতিবাচক সু প্ৰভাৱ পৰিব তাত কোনো সন্দেহ নাই ।

**পিছপৰা শ্ৰেণীৰ কল্যাণ**

১৬ । অনুসূচীত জাতি/ অনুসূচীত জনজাতি/ অন্যান্য পিচপৰা শ্ৰেণী আৰু চাহ জনজাতিসকলৰ আৰ্থ-সামাজিক দিশটোৰ উন্ময়নৰ বাবে চৰকাৰে কিছুমান বিশেষ আঁচনি ৰূপায়ন কৰি আহিছে যাতে তেওঁলোকৰ স্বাস্থ্য, শিক্ষা, পথ, খোৱাপানী আদি সা-সুবিধা সমূহৰ উন্মতি হয় । এই আঁচনি সমূহ বিভিন্ন বিভাগ সমূহে ৰূপায়ন কৰা সাধাৰন পৰিকল্পনাৰ আঁচনি সমূহৰ পৰিপূৰক । ১৯৯৪-৯৫ ৰ অনুমোদিত ৰাজ্যিক পৰিকল্পনা ব্যয়ৰ পৰা জনজাতি উপ-পৰিকস্পনাৰ বাবে ১০৯.৭৫ কোটি টকা আবু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ৭৩.৩৩ কোটি টকা আৱন্টন কৰা হৈছে । ওপৰোক্ত আৱন্টন সমূহসংযোজিত কেন্দ্ৰীয় সাহায্যৰ দ্বাৰা যথাক্ৰমে ১২.৪০ কোটি টকা আৰু ৩.০৪ কোটি টকাৰে বৰ্দ্ধিত হব ।

**বডে ড়াণ্ডে স্বায়ত্ত্ব শাসিত পৰিষদ**

১৭ । বড়োলেন্ড স্বায়িত্ত্ব শাসিত পৰিষদখন গঠন হয় ১৯৯৩ চনত । পৰিষদৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছেই । দুজন জেষ্ঠ ভাৰতীয় প্ৰশাসনীয় বিষয়াক ইতিমধ্যে স্বায়িত্ত শাসিত পৰিষদৰ প্ৰধান সচিব আৰু

সচিব ৰূপে নিয়োগ কৰা হৈছে। ৰাজ্য চৰকাৰৰ আন আন বিষয়া আৰু কৰ্মচাৰীকো বড়োলেন্ড স্বায়ত্ত শাসিত পৰিষদৰ বাবে প্ৰতিনিযুক্তি দিয়া হৈছে। ১৯৯৩ ৰ বাজেটৈত বড়োলেন্ড স্বায়ত্ত শাসিত পৰিষদৰ বাবে সুকীয়া বাৱস্থা কৰা হোৱা নাছিল যদিও পৰিকল্পনা বহিৰ্ভূত আৰু পৰিকল্পনা দুয়োটা শিতানত বছৰটোৰ বাবে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰা হৈছিল। পৰিকল্পনা পুঁজিৰ বাবে ৩৭.১৯ কোটি টকা আৰু পৰিকল্পনা বহিৰ্ভূত পুঁজিৰ বাবে ১ কোটি টকা যোগান ধৰা হৈছিল। পৰিকল্পনা বহিৰ্ভূতশিতানৰ অধীনত বড়োলেন্ড স্বায়ত্তশাসিত পৰিষদৰ বাবে ১৯৯৪-৯৫ বছৰটোত মোটা-মোটি ৫ কোটি টকাৰ সাহায্য মন্জুৰী প্ৰস্তাৱ কৰা হৈছে। এই পৰিকল্পনা শিতানৰ অধীনত ৪১.৩১ কোটি টকাৰ প্ৰস্তাৱ ১৯৯৪-৯৫ চনৰ বাজেটত কৰা হৈছে।

বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদক পৰিকল্পনাৰ শিতানত আৰু অধিক ধনৰ যোগান ধৰা বিষয়টো বিষয়া পৰ্য্যয়ৰ এক কমিটিয়ে পৰীক্ষা কৰি আছে।

পাৰ্বত্য অঞ্চল

১৮। যোৱা কেইবছৰ ধৰি ৰাজ্য চৰকাৰে পাৰ্বত্য জিলা দুখনৰ সৰ্বতো প্ৰকাৰ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব দি আহিছে। প্ৰধানকৈ গুৰুত্ব দিয়া হৈছে যোগাযোগ আৰু বুনীয়াদী সা-সুবিধাৰ উন্নয়নত আৰু পৰিপাৰ্শ্বিক ভাৱে ক্ষতিকাৰক পৰাম্পৰাগত ঝুম-খেতিৰ ঠাইত স্থায়ী কৃষি প্ৰৱৰ্ত্তনৰ দিশত। পাৰ্বত্যাঞ্চলৰ বাবে ১৯৯৪-৯৫ ৰ বাৰ্ষিক পৰিকল্পনাত অনুমোদিত ব্যয় ৭২.১৭ কোটি টকা ধৰা হৈছে। ইয়াক সংযোগী কেন্দ্ৰীয় সাহায্য ৪২.০৫ কোটি টকাৰে বৰ্দ্ধিত কৰা হ'ব। আনকি পৰিকল্পনাৰ বৰ্হিভূত শিতানতো পাৰ্বত্য জিলা দুখনত ইতিমধ্যে মন্জুৰী হোৱা শিক্ষকৰ পদ সমূহৰ দৰমহাৰ বাবে প্ৰয়োজনীয় সমুদায় ধন মোকোলাই দিবলৈ চাৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

**মহিলা সমৃদ্ধি যোজনা**

১৯ । সঞ্চয়ৰ অভ্যাস গঢ়ি তোলাৰ লগতে মহিলাসকলৰ মনত বিত্তীয় নিৰপত্তাৰ ভাৱ জগাই তোলাৰ উদ্দেশ্যে ১৯৯৩ চনৰ আগষ্ট মাহত মাননীয় প্ৰধানমন্ত্ৰীয়ে মহিলা সমৃদ্ধি যোজনা আঁচনিখন ঘোষণা কৰে । এই যোজনাই ডাকঘৰ সমূহত দৰিদ্ৰ মহিলা সকলক চেভিংচ বেংক একাউন্টু খোলাৰ সুবিধা দিব । প্ৰথম ৩০০ টকা জমাকাৰী মহিলাক ভাৰত চৰকাৰৰ ফালৰ পৰা ৭৫ টকাৰ অনুদান আগবঢ়াব ।

দৰিদ্ৰতা অথবা অজ্ঞতাৰ হেতু বহুতো মহিলাই ডাকঘৰত চেভিংচ বেংক একাউন্ট খোলাত আগ্ৰহী নহবও পাৰে । ৰাজ্য চৰকাৰে সেয়ে তেনে মহিলাক চেভিংচ একাউন্ট খোলাৰ বাবে ১০ টকাকৈ সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছে । তেনে ১৫ লাখ মহিলাৰ বাবে ১.৫ কোটি টকাৰ প্ৰয়োজন হ'ব । মোৰ মনেৰে এনে এক অভিনৱ প্ৰস্তাৱ গ্ৰহণ কৰাত ভাৰতৰ ভিতৰত অসমেই প্ৰথম ৰাজ্য ।

**ধৰ্ম্মীয় আৰু দাতব্য অনুষ্ঠানলৈ বাৰ্ষিক অনুদান**

২০। এনে কিছুমান ৰাজহুৱা ধৰ্ম্মীয় আৰু দাতব্য অনুষ্ঠান আছে যিবোৰৰ ৰাহি মাটি ৰাজ্য চৰকাৰে অধিগ্ৰহণ কৰিছিল । তাৰ বাবে এই অনুষ্ঠান বোৰে এটা বাৰ্ষিক অনুদান পায় । কিন্তু বহু বছৰ ধৰি এই বাৰ্ষিক অনুদানৰ পৰিমান একেই আছে । কিন্তু বস্তুৰ দাম ইতিমধ্যে বহুগুণে বৃদ্ধি পোৱাৰ ফলস্বৰূপে এনেকুৱা বহুত অনুষ্ঠান বন্ধ হোৱাৰ উপক্ৰম হৈছে নাইবা অনুষ্ঠানবোৰৰ পৰিচালনাত সংকটপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হৈছে । সেয়ে মই ১৯৯৪-৯৫ বছৰটোৰ বাজেটত এই শিতানৰ ধন ১৫০ লাখ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছো । তদুপৰি এই অনুষ্ঠানবোৰে যাতে নিয়মীয়াকৈ আৰু সময়মতে বৰ্দ্ধিত হাৰত এই অনুদান পাব পাৰে তাৰ বাবে এনে অনুদান মুকলি কৰি দিয়াৰ পদ্ধতি সংশোধনৰ কথাও মই বিবেচনা কৰিছো ।

**গাওঁ বুঢ়া সকললৈ পাৰিশ্ৰমিক**

২১। বৰ্তমান গাওঁ বুঢ়া সকলৰ পাৰিশ্ৰমিক হৈছে মাহিলি ২৫০ টকা। আজিৰ মূল্যমানৰ তুলনাত বোধহয় ই তেনেই তাকৰ। সেয়েহে ৰাজ্য চৰকাৰে এই পৰিমাণটো মাহিলি ৫০০ টকালৈ বৃদ্ধি কৰাৰ কথা বিবেচনা কৰি আছে। তাতোকৈ উল্লেখনীয় কথা হ'ল যে গাওঁ বুঢ়া সকলৰ পাৰিশ্ৰমিক মাহিলি ভিত্তিত যাতে দিব পৰা হয় সেই উদ্দেশ্যে বৰ্তমানে ধন মোকোলোৱাৰ পদ্ধতিত থকা বাধা সমূহ দূৰ কৰিবলৈকো মই বিবেচনা কৰিছো।

**বৃত্তিৰ ধন নিয়মিত আদয়কৰন**

২২। কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ আমাৰ বৃত্তিধাৰী ছাত্ৰ-ছাত্ৰী সকলক মাহিলি ভিত্তিত যাতে তেওঁলোকৰ বৃত্তিৰ ধন আদায় দিব পাৰি তাৰ বাবে ধন উলিওৱাৰ ক্ষেত্ৰত থকা সেই একে ধৰণৰ পদ্ধতিগত বাধাসমূহ উঠাই লোৱাৰ বাবেও আমি প্ৰস্তাৱ কৰিছো।

**ৰাজ্যৰ বিত্তীয় পৰিস্থিতি**

২৩.১। যোৱা কেইটামান বছৰৰ পৰা ৰাজ্য চৰকাৰৰ বিত্তীয় অৱস্থা এক জটিল পৰিস্থিতিৰ মাজেৰে অতিবাহিত হৈ আহিছে। ব্যয় বৃদ্ধিৰ হাৰ আয় বৃদ্ধিৰ হাৰতকৈ অধিক হোৱাটোৱে ইয়াৰ মূল কাৰণ। চৰকাৰী কৰ্মচাৰীৰ সংখ্যা বৃদ্ধি আৰু তেওঁলোকৰ দা-দৰমহা আৰু মৰগীয়া বানচ দিয়াৰ ক্ষেত্ৰত হোৱা বৃদ্ধিয়েই হ'ল ব্যয় বৃদ্ধিৰ একক মুখ্য কাৰণ। আইন শৃংখলা অটুট ৰখাৰ ক্ষেত্ৰত হোৱা বৰ্দ্ধিত ব্যয়ও চৰকাৰী খৰচৰ দ্ৰুত বৃদ্ধিৰ আন এটা মূল কাৰণ। এই ব্যয়ৰ প্ৰায় ভাগেই পৰিকল্পনা-বহিৰ্ভূত ব্যয়। ফলস্বৰূপে ৰাজহৰ কম অংশ ধন হে উন্নয়ন মূলক কামৰ বাবে ৰাহি হয়। সেয়ে আমি পৰিকল্পনা বৰ্হিভূত ব্যয় বৃদ্ধি ৰোধ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছো। ১৯৯৩-৯৪ চনৰ বাজেট উত্থাপন কৰোতে মই ৩০০৯ কোটি টকা পৰিমানৰ পৰিকল্পনা বৰ্হিভূত ব্যয় নিৰ্দ্ধাৰণ কৰিছিলো। মাননীয় সদস্য সকলে শুনি সুখী হব

যে এই পবিত্ৰ সদনে অলপতে অনুমোদন কৰি দিয়া পৰিপূৰক দাবী মঞ্জুৰীকে ধৰি সংশোধিত প্ৰাককলনমতে বছৰটোৰ ভিতৰত ৰাজ্যৰ পৰিকল্পনা বৰ্হিভূত ব্যয়ৰ পৰিমাণ ৩০৫৯ কোটি টকাতে সীমিত হোৱাৰ সম্ভাৱনীয়তা দেখা গৈছে। মই ভাবো এইটো বৰ্ত্তমান চৰকাৰ খনৰ বাবে এক উল্লেখনীয় সফলতা। পাৰ্য্যমানে যুক্তিসংগত সীমাৰ ভিতৰতে আমাৰ পৰিকল্পনা বৰ্হিভূত ব্যয় সীমাবদ্ধ কৰি ৰখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিম। মাননীয় সদস্য সকলে এই কথা জানিও সুখী হব যে ১৯৯৩-৯৪ বছৰটোত ৰাজ্য চৰকাৰৰ সকলো বিভাগতে কঠোৰ বিত্তীয় অনুশাসন প্ৰৱৰ্ত্তন কৰিবলৈ এলানি ব্যৱস্থা গ্ৰহণ কৰা হয়। ব্যয় আৰু ইয়াৰ যথাযথ হিচাপ ৰখাৰ পদ্ধতিকো সুবিন্যস্ত কৰা হৈছে।

২৩.২। ১৯৯৩-৯৪ বছৰটোৰ পৰিকল্পনা বাজেট ধাৰ্য্য কৰা হৈছিল ১০২৭ কোটি টকাত। ইয়াৰ ভিতৰত আমগুৰি বিদ্যুৎ প্ৰকল্পৰ বাবে ধৰা ৮০ কোটি টকাও আছে। কিন্তু বছৰটোৰ ভিতৰত এই প্ৰকল্পটো হৈ নুঠিল। সেয়ে কাৰ্য্যকৰী পৰিকল্পনা বাজেট ৯৪৭ কোটি টকা লৈ কমি আহিল। পৰিকল্পনা আয়োগৰ লগত পৰামৰ্শ কৰি ইয়াক পুনৰ পৰ্য্যালোচনা কৰা হয় আৰু ইয়াক ৮৭০ কোটি টকালৈ সংশোধন কৰা হয়। ৮৭০ কোটি টকাৰ এই সংশোধিত পৰিকল্পনা আবন্টন সম্পূৰ্ণৰূপে সুৰক্ষিত কৰাত আমি আশাবাদী আৰু ইয়াৰ বাবে যাৱতীয় ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

২৩.৩। বিগত বছৰৰ বাজেট ভাষণত ৰাজ্য চৰকাৰৰ উৰ্দ্ধগামী ঋণৰ বোজাৰ বিষয়ে মই উল্লেখ কৰিছিলো। ১-৪-৯০ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰাজ্যিক পৰিকল্পনাৰ বাবে ধাৰ্য্যকৰা কেন্দ্ৰীয় সাহাৰ্য্য আগৰ ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ মঞ্জুৰীৰ পৰিবৰ্ত্তে ১০ শতাংশ ঋণ আৰু ৯০ শতাংশ মঞ্জুৰী ৰূপে অহা

সত্বেও ঋণৰ বোজা পৰিশোধৰ ক্ষেত্ৰত আমি তৎকালীন সকাহ পোৱা নাই । ইয়াৰ কাৰণ হ'ল যে ১।৪।৯০ তাৰিখৰ আগেয়ে লোৱা ঋণৰ বাবে পৰিশোধ কৰিবলগীয়া ধনবোৰ এই পৰিবৰ্ত্তিত নিয়মৰ পৰিধিৰ বাহিৰত । কেন্দ্ৰীয় সাহাৰ্য্যৰ এই পৰিবৰ্ত্তিত নিয়মৰ ইতিবাচক প্ৰভাব ক্ৰমবৰ্দ্ধমান হাৰত আহিবলগীয়া বছৰ কেইটাতহে অধিক ভাবে অনুভৱ কৰা যাব । কিন্তু সুখৰ বিষয় যে ওপৰত উল্লেখ কৰা পৰিস্থিতি সত্বেও যোৱা দুবছৰত আমি ৰাজ্যৰ ওপৰত থকা সামগ্ৰিক ঋণৰ বোজা হ্ৰাস কৰিবলৈ সক্ষম হৈছো । উদাহৰণ স্বৰূপে, ১৯৯১-৯২ চনত ৰাজহুৱা ঋণৰ পৰিমান আছিল ৪২২৯ কোটি টকা । ১৯৯২-৯৩ চনত ইয়াক ৪০৯০ কোটি টকালৈ হ্ৰাস কৰা হৈছে । ঋণৰ বোজা এইদৰে হ্ৰাস কৰিব পৰাটো যে এক উল্লেখনীয় কৃতিত্ব সেই বিষয়ে মাননীয় সদস্য সকল মোৰ লগত একমত হব বুলি মই আশা কৰো ।

২৩.৪ । ১৯৯৩-৯৪ চনৰ সংশোধিত হিচাপত ধাৰ্য্য কৰা ৩০৫৯ কোটি টকাৰ তুলনাত ১৯৯৪-৯৫ বছৰটোৰ বাবে মই ৩১১০ কোটি টকাৰ পৰিকল্পনা-বহিৰ্ভূত ব্যয়ৰ প্ৰস্তাৱ কৰিছো । সেইদৰে ১৯৯৩-৯৪ চনৰ ৮৭০ কোটি টকাৰ পৰিকল্পনা ব্যয়ৰ সংশোধিত হিচাপৰ বিপৰীতে ১৯৯৪-৯৫ বছৰটোৰ বাবে ১০৫১ কোটি টকাৰ পৰিকল্পনা ব্যয়ৰ প্ৰস্তাৱ কৰিছোঁ । ইতিমধ্যে কৈ আহিছো যদিও মই পুণৰ দোহাৰো যে ১৯৯৪-৯৫ বছৰটোৰ পৰিকল্পনা বৰ্হিভূত-ব্যয়ৰ বৃদ্ধি কৰ্ত্তন কৰাৰ বাবে আমি সৰ্ব্বতো প্ৰকাৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিম । ১৯৯৪-৯৫ চনৰ বাজেট হিচাপ প্ৰস্তুত কৰাৰ সময়ত ৰাজ্য চৰকাৰৰ আটাইবোৰ বিভাগতে বিত্তীয় শৃংখলা নিশ্চিত কৰাত মই সৰ্বাধিক গুৰুত্ব দিছোঁ । সকলোধৰণৰ পৰিহাৰ্য্য খৰছ কমাই সমাজৰ বাবে অধিক জৰুৰী হৈ পৰা ক্ষেত্ৰ সমূহৰ প্ৰস্তাৱিত ব্যয়

বৃদ্ধিত যথেষ্ট মনোযোগ দিয়া হব ।

**ৰাজ্যিক বিত্তীয় পৰিস্থিতিৰ ওপৰত কেন্দ্ৰীয় বাজেটৰ প্ৰভাৱ**

২৪। মাননীয় সদস্য সকল এই সম্পৰ্কে বাৰুকৈয়ে অৱগত যে কেন্দ্ৰীয় চৰকাৰে হস্তান্তৰ কৰা কৰ আৰু শুল্কৰ অংশই হ'ল আমাৰ ৰাজহৰ এক প্ৰধান উৎস । ৰাজ্য চৰকাৰে শুদ্ধ (net) আয়কৰৰ পৰা ৮৫ শতাংশ আৰু কেন্দ্ৰীয় আৱকাৰী শুল্কৰ শুদ্ধ (net) পৰিমাণৰ ৪৫ শতাংশ লাভ কৰে । ১৯৯৪-৯৫ চনৰ কেন্দ্ৰীয় বাজেটত ভোগ্য সামগ্ৰীৰ ওপৰত থকা আৱকাৰী শুল্কৰ বৃহৎ পৰিমাণৰ ৰেহাই আৰু আয়কৰৰ ৰেহাইৰ সীমা বৃদ্ধি কৰাৰ ফল স্বৰূপে এই কৰ সমূহৰ পৰা ৰাজ্য চৰকাৰে লাভ কৰিবলগীয়া অংশৰ পৰিমাণো সমানুপাতে হ্ৰাস পাব । সেইদৰে আজি কিছুদিন আগতে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অনুযায়ী চাহৰ ওপৰত থকা কেন্দ্ৰীয় আৱকাৰী শুল্ক উঠাই লোৱাৰ ফলতো ৰাজ্য চৰকাৰে পাব লগীয়া কেন্দ্ৰীয় কৰৰ অংশৰ পৰিমাণ সেই অনুপাতে কমিব । তদুপৰি কেন্দ্ৰীয় আৱকাৰী শুল্কৰ হাৰ বৃদ্ধি কৰাৰ পৰিবৰ্তে পেট্ৰলিয়াম, লেভী চেনী (Levy sugar) আদিৰ দৰে সামগ্ৰী বোৰৰ প্ৰায়োগিক মূল্যৰ বাজেটৰ প্ৰাক মুহূৰ্ত্তত কৰা মূল্য বৃদ্ধিয়েও ৰাজ্য চৰকাৰক এক বুজন পৰিমাণৰ ৰাজহৰ পৰা বঞ্চিত কৰিব ।

**দশম বিত্তীয় আয়োগ**

২৫.১। মাননীয় সদস্য সকলে জানে যে ১৯৯২ চনতে দশম বিত্ত আয়োগ গঠন কৰা হয় । দশম বিত্ত আয়োগৰ অনুমোদন সমূহ ১৯৯৫ চনৰ পহিলা এপ্ৰিলৰ পৰা ২০০০ চনৰ ৩১ মাৰ্চলৈকে প্ৰযোজ্য হ'ব । নৱম বিত্ত আয়োগৰ অনুমোদন সমূহে ৰাজ্য খনৰ প্ৰয়োজন সমূহ সম্পূৰ্ণ ৰূপে পূৰণ কৰিব নোৱাৰিলে । আমি ৰাজ্য খনৰ সমস্যাৰাজি সম্পৰ্কে অৱগত কৰি সেই সমস্যা বোৰ সমাধান কৰাৰ বাবে প্ৰয়োজনীয় বিত্তৰ পৰিমাণ সম্পৰ্কে দশম বিত্ত আয়োগৰ ওচৰত সজোৰে দাবী উত্থাপন

কৰিছো । ৰাজ্য খনক জুৰুলা কৰি থকা সমস্যা বোৰৰ কেতবোৰ প্ৰকৃততে ৰাষ্ট্ৰীয় সমস্যাস্বৰূপ । আমি এই কথাও স্পষ্টকৈ দোহাৰিছো যে নতুন ৰাষ্ট্ৰীয় অৰ্থনৈতিক নীতি আৰু ইয়াৰ সহযোগী গাঁথনিগত প্ৰক্ৰিয়াটো অসমৰ নিচিনা ৰাজ্যৰ বাবে অদুৰ ভবিষ্যতে লাভজনক হোৱাৰ আশা ক্ষীণ । সেয়েহে দশম বিত্ত আয়োগে অসমৰ নিচিনা ৰাজ্যসমূহৰ বাবে বিশেষ ইতিবাচক অনুমোদন দিয়াটো যথাৰ্থতে প্ৰয়োজন ।

২৫.২ । শ্ৰী কৃষ্ণ চন্দ্ৰ পন্তৰ অধ্যক্ষতাত গঠিত দশম বিত্ত আয়োগে ১৯৯৩ চনৰ অক্টোবৰ মাহত অসম ভ্ৰমণ কৰে আৰু ৰাজ্য চৰকাৰ, বিভিন্ন ৰাজনৈতিক দল তথা ব্যৱসায়, বানিজ্য আৰু উদ্যোগ সমূহৰ প্ৰতিনিধি বৰ্গৰ লগত বিতং আলোচনা কৰে । ১৯৯৫ চনৰ পহিলা এপ্ৰিলৰ পৰা আৰম্ভ কৰি পাচ বছৰৰ বাবে অসম চৰকাৰে ৰাজহ শিতানত ১৫, ১২৫ কোটি টকাৰ আৰু মূলধনী শিতানত ১,৯৩৯ কোটি টকাৰ ঘাটি প্ৰদৰ্শন কৰিছে । এই ব্যৱধান পূৰণ কৰাৰ বাবে আমি দশম বিত্ত আয়োগৰ ওচৰত যুক্তি দৰ্শাইছোঁ । তদুপৰি প্ৰশাসনৰ আধুনিকীকৰণ আৰু উন্নীতকৰণৰ অৰ্থে ১০১০ কোটি টকা বিচাৰিছোঁ । ইয়াৰ ভিতৰত ৰাজ্যৰ স্থায়ী ৰাজধানী নিৰ্মাণৰ বাবে নিৰ্দ্দিষ্ট কৰা ৫০১ কোটি টকাকো সামৰি লোৱা হৈছে । ইয়াৰ বাহিৰেও গুৱাহাটী পৌৰ নিগমকে ধৰি নগৰীয়া স্থানীয় নিকায় সমূহৰ ৰাজহৰ ঘাটি পূৰাবৰ বাবে ৮৮ কোটি টকা দিয়াৰ কথাটো বিবেচনা কৰাৰ বাবেও আয়োগৰ ওচৰত প্ৰতিবেদন দাখিল কৰা হৈছে ।

২৫.৩। মই আশা কৰো যে দশম বিত্ত আয়োগ আমাৰ সমস্যা আৰু অভাৱ সমূহৰ প্ৰতি সহানুভূতিপ্ৰৱণ হ'ব আৰু আয়োগৰ অনুমোদন সমূহে আমাৰ প্ৰয়োজন সমূহ সম্পূৰ্ণৰূপে পূৰণ কৰিব ।

**বহিঃ সাহায্য**

২৬। আমাৰ ৰাজ্যৰ সমস্যা সমূহৰ তুলনাত আমাৰ বিত্তীয় সম্পদ যথেষ্ট নহয়। আমাৰ ৰাজহৰ প্ৰধান উৎস সমূহ হৈছে ৰাজ্য খনৰ নিজা বিত্তীয় সম্পদ, কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা পৰিকল্পনা সাহায্য আৰু এতিয়ালৈ হৈ অহা বিত্ত আয়োগ সমূহৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি হস্তান্তৰ সূত্ৰে ৰাজ্য খনে কেন্দ্ৰৰ পৰা লাভ কৰা বিত্তীয় সম্পদ। বিশ্ব বেংক, এচিয়া বিকাশ বেংক আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান সমূহৰ পৰা বহিঃ সাহায্য লাভৰ বাবে চলোৱা আমাৰ প্ৰচেষ্টা এতিয়ালৈকে সফল কাম হোৱা নাছিল। উদাহৰণ স্বৰূপে ১৯৯২-৯৩ চনত এনে ধৰণৰ বহিঃ সাহায্যৰ পৰিমান আছিল মাথোন ৫ কোটি টকা। কিন্তু বৰ্ত্তমান চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে লৈছে। শিক্ষা আৰু স্বাস্থ্য ও পৰিয়াল কল্যাণ খণ্ডত ১০১ কোটি আৰু প্ৰাথমিক শিক্ষা খণ্ডত ১৬০ কোটি টকা বিশ্ব বেংকৰ সাহাৰ্য্যৰ কথা মই আগেয়ে উল্লেখ কৰিছোৱেই। এই সাফল্যাৰ দ্বাৰা উৎসাহিত হৈ আমি সমানেই গুৰুত্বপূৰ্ণ কৃষি, নগৰোন্নয়নৰ, বিদ্যুৎ, পৰিবেশ সংৰক্ষণ, ব্ৰহ্মপুত্ৰৰ বাননিয়ন্ত্ৰন আৰু গ্ৰামোন্নয়নৰ লেখিয়া খণ্ড সমূহৰ বাবেও বহিঃ সাহায্য অনাৰ বাবে সংকল্পবদ্ধ।

মই চলিত বাজেট অধিবেশনতে কৰমুক্ত দ্ৰব্যৰ লগত বিক্ৰি কৰা সামগ্ৰীৰ পাত্ৰৰ . ওপৰত বিক্ৰি কৰ বহুৱাবলৈ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহে সামগ্ৰী যোগান ধৰোতা সকলৰ বিলৰ পৰা বিক্ৰি কৰ নাইবা ক্ৰয় কৰৰ অংশ কাটি ৰাখি ৰাজ কোষত জমা দিয়াৰ ব্যৱস্থা কৰিবলৈ The Assam General sales Tax (Amendment ) Bill , 1994 উত্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিছো ।

থিক সেই দৰে "Pay while you earn প্ৰথা অনুসৰি কৃষি আয় উপাৰ্জন কৰা বিত্তীয় বছৰতে কৃষি আয় কৰ খিনি আগতীয়াকৈ সংগ্ৰহ কৰাৰ ব্যৱস্থা সন্নিহিত কৰি The Assam Agricultural Income Tax ( Amendment ) Bill, 1994 নামৰ আন এখন বিলো চলিত অধিবেশনতে উত্থাপন কৰিম ।

যোৱা ফেব্ৰুৱাৰী মাহৰ এক আৰু দুই তাৰিখে জাৰি কৰা অধ্যাদেশ তিনিখনৰ ঠাইত The Assam Taxation (on specified lands ) (Amendment) Bill , 1994 , The Assam Agricultrural Income Tax (Amendment ) Bill 1994 zagv The Assam Taxation (on specified lands) (Amendment) Bill , 1994 নামৰ তিনিখন বিলো চলিত অধিবেশনতে উত্থাপন কৰিবলৈ স্থিৰ কৰিছো ।

মাননীয় সদস্য সকলে এইটো নিশ্চয় জানে যে ৰাজ্য খনৰ বিভিন্ন উন্নয়নমূলক ব্যৱস্থা ৰূপায়ণৰ কাৰণে আমাৰ ৰাজ কোষত আৰু অধিক ৰাজহৰ প্ৰয়োজন হৈছে । সেই কাৰণে মই The Assam General Sales Tax Act,. 1993 অন্তৰভুক্ত দুই নম্বৰ তালিকাৰ

নিম্ন উল্লেখিত দ্ৰব্য সমূহৰ বৰ্ত্তমানে প্ৰযোজ্য কৰৰ হাৰ কিছু পৰিমাণে বঢ়াবলৈ স্হিৰ কৰিছো ।

১। পাইপ আৰু টিউব , হিউম পাইপ আৰু ইয়াৰ লগত সংলগ্ন কৰা অংশ বোৰত বৰ্ত্তমানত টকাত ৮ পইচাৰ ঠাইত টকাত ১২ পইচালৈ ।

২। ২ নং তালিকাত থকা ক্ৰমিক ২০ নম্বৰত উল্লেখিত টায়াৰ আদিত বৰ্ত্তমানৰ টকাত ৮ পইচাৰ ঠাইত ১১ পইচালৈ ।

৩। পেট্ৰল আৰু । বা প্ৰাকৃতিক গেচৰ পৰা উৎপন্ন হোৱা দ্ৰব্যত বৰ্ত্তমানৰ টকাত ২ পইচাৰ ঠাইত টকাত ১০ পইচালৈ

৪। পেট্ৰল জাত গেচ আৰু প্ৰাকৃতিক গেচত বৰ্ত্তমানৰ টকাত ৮ পইচাৰ ঠাইত টকাত১২ পইচা লৈ ।

৫। ২ নম্বৰ তালিকাভুক্ত ডিজেল আদি দ্ৰব্যত বৰ্ত্তমানৰ টকাত ১১ পইচাৰ ঠাইত টকাত ১৬ পইচা লৈ ।

৬। ২ নম্বৰ তালিকাভুক্ত মটৰ স্পিৰিট আদি দ্ৰব্যত বৰ্ত্তমানৰ টকাত ১২ পইচাৰ ঠাইত টকাত ১৭ পইচা লৈ ।

৭। উৎকৃষ্ট বিধৰ কাঠৰ ওপৰত বৰ্ত্তমানৰ টকাত ৮ পইচাৰ ঠাইত টকাত ১০ পইচা লৈ ।

ওপৰত উল্লেখ কৰা ব্যৱস্থা সমূহৰ বাহিৰেও বৰ্ত্তমানৰ প্ৰচলিত কৰ আইন কেইখনৰ চাৰি বেৰৰ মাজতে কৰ সংগ্ৰহৰ পৰিমান সৰ্ব্বোচ্চ কৰিবলৈ সকলো ব্যৱস্থা লোৱা হব ।

**হিচাপ ১ ১৯৯২-৯৩**

১৯৯৩-৯৪ চনৰ মূল বজেট উত্থাপন কঁৰোতে আশা কৰা হৈছিল যে ১৯৯২-৯৩ ৰ বছৰটো ৩৬ কোটি টকাৰ ৰাহিৰে সামৰণি পৰিব । অসমৰ মহা গাণনিকৰ দ্বাৰা সংগৃহীত হিচাপ অনুযায়ী প্ৰকৃততে বছৰটো সামৰণি পৰিছিল ১৬০ কোটি টকাৰ ঘাটিৰেহে ।

**সংশোধিত প্ৰাককলন ১৯৯৩-৯৪**

১৯৯৩-৯৪ বাছৰটোৰ বাজেট প্ৰাককলনত ১৬২ কোটি টকাৰ আনুমানিক ঘাটি দেখুওৱা হৈছিল । কিন্তু সংশোধিত প্ৰাককলন অনুসৰি ১৯৯৩-৯৪ চনৰ বছৰটো (-) ৩৫২ কোটি টকাৰ ঘাটিৰেহে সামৰণি পৰা দেখা গৈছে । ইয়াৰ মূল কাৰণ হ'ল ১৯৯২-৯৩ চনৰ বছৰটো (+) ৩৬ কোটি টকাৰ প্ৰাককলিত ৰাহিৰ পৰিবৰ্তে প্ৰকৃততে (-) ১৬০ কোটি টকা ঘাটিৰেহে সামৰণি পৰিছিল ।

**বাজেট প্ৰাককলন ১৯৯৪-৯৫**

১৯৯৩-৯৪ চনৰ সংশোধিত প্ৰাককলনতকৈ ১৯৯৪-৯৫ চনৰ বাজেটত প্ৰাপ্তিৰ পৰিমাণ ৭৩৩, ৫২ কোটি টকা বাঢ়িব বুলি অনুমান কৰা হৈছে । অৱশ্যে খৰছৰ শি-তানতো ১৯৯৩-৯৪ চনৰ সংশোধিত প্ৰাককলনৰ তুলনাত ৩৮২. ৫৪ কোটি টকাৰ বৃদ্ধি দেখুওৱা হৈছে । স্বাভাবিক বৃদ্ধিৰ উপৰিও ৰাজ্যখনৰ অনাদায়ী ঋণৰ বোজা ১৯৯৩-৯৪ চনৰ পৰা ১৯৯৪-৯৫ চনলৈ কঢ়িয়াই অনাৰ বাবে এই ব্যয় বৃদ্ধি হবলৈ পাইছে ।

১৯৯৪-৯৫ চনৰ বছৰটোৰ আনুমানিক লেন দেন সমূহৰ ফলত ১৭৫ .১৮ কোটি টকাৰ ৰাহি হব বুলি অনুমান কৰা হৈছে ।

আনুমানিক (–) ৩৫২ .১২ কোটি টকাৰ ঘাটিৰে আৰম্ভণি কৰি ১৯৯৪-৯৫ চনৰ বছৰটো আনুমানিক (–) ১৭৬ .৯৪ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব বুলি অনুমান কৰা হৈছে । লেনদেন সমূহৰ সংক্ষিপ্ত বিবৰণ ১ নং পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে ।

## পৰিশিষ্ট–১

লেনদেনৰ সংক্ষিপ্ত বিৱৰণ

লাখ টকাৰ হিচাপত

| | প্ৰকৃত ১৯৯২–৯৩ | বাজেট প্ৰাককলন ১৯৯৩–৯৪ | সংশোধিত প্ৰাককলন ১৯৯৩–৯৪ | বাজেট প্ৰাককলন ১৯৯৪–৯৫ |
|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) |
| (ক) প্ৰাপ্তি | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ২৬,১৩,২৩ | ২৯,৫৬,৩২ | ২৮,৬০,৮৭ | ৩৫,৮৩,০৭ |
| মূলধন হিচাপ | ৮,৪৭,৪৭ | ১০,৪৮,১৭ | ১১,৩৯,৬৫ | ১১,৫০,৯৭ |
| মুঠ | ৩৪,৬০,৭০ | ৪০,০৪,৪৯ | ৪০,০০,৫২ | ৪৭,৩৪,০৪ |
| ২। আকস্মিক নিধি হিচাপ | ১০,০৭ | | | |
| ৩। ৰাজহুৱা হিচাপ | ১৭,২৩,৭৬ | ১৫,৯৭,০৫ | ১৫,৯৭,০৫ | ১৬,৯১,৫০ |
| সৰ্ব্বমুঠ– | ৫১,৯৪,৫৩ | ৫৬,০১,৫৪ | ৫৫,৯৭,৫৭ | ৬৪,২৫,৫৪ |
| (খ) ব্যয় | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ২৪,৫০,৯৬ | ২৭,৭৪,৫৫ | ২৭,৮৯,০৭ | ৩১,৪১,৭৮ |
| মূলধন হিচাপ | ১৪,০২,৪২ | ১৫,৪৭,৬৯ | ১৪,৩৮,১৪ | ১৪,৬৭,৯৭ |
| মুঠ | ৩৮,৫৩,৩৫ | ৪৩,২২,১৯ | ৪২,২৭,২১ | ৪৬,০৯,৭৫ |
| ২। আকস্মিক নিধি হিচাপ | ১,৪৮ | | | |
| ৩। ৰাজহুৱা হিচাপ | ১৫,৮১,২১ | ১৫,৬২,৩৩ | ১৫,৬২,৩৩ | ১৬,৪০,৬১ |
| সৰ্ব্বমুঠ– | ৫৪,৩৬,০৪ | ৫৮,৮৪,৫২ | ৫৭,৮৯,৫৪ | ৬২,৫০,৩৬ |
| (গ) বছৰটোৰ ভিতৰত লেন-দেন | | | | |
| ৰাহি (+) | | | | ১,৭৫,১৮ |
| ঘাটি (–) | ২,৪১,৫১ | ২,৮২,৯৮ | ১,৯১,৯৭ | |
| (ঘ) আৰম্ভণিৰ হিচাপ | | | | |
| ৰাহি (+) | ৮১,৩৬ | ১,২০,৩৮ | | |
| ঘাটি (–) | | | ১,৬০,১৫ | ৩,৫২,১২ |
| (ঙ) সামৰণিৰ হিচাপ | | | | |
| ৰাহি (+) | | | | |
| ঘাটি (–) | ১,৬০,১৫ | ১,৬২,৬০ | ৩,৫২,১২ | ১,৭৬,৯৪ |